# জাননী

প্ৰিয় বিশেষাধিকাৰী (আইচিডব্লিউ)
দিনটোৰ শুভেচ্ছা !!!!!

আইআৰচিটিচি এ এইটো আমাক জনাইছে যে বহুতো বিশেষাধিকাৰীয়ে আইআৰচিটিচিৰ গ্ৰাহকৰ লগত ব্যৱসায়িক লেনদেন কৰোতে অবৈধ আৰু অনৈতিক কাৰ্য্যকলাপত লিপ্ত হৈছে। আইআৰচিটিচি এ আমাক জানিবলৈ দিয়া মতে বিশেষাধিকাৰীয়ে অৱলম্বন কৰা কিছুমান অবৈধ আৰু অনৈতিক কাৰ্য্যকলাপ তলত দিয়া ধৰণৰ:

1. আইআৰচিটিচি এ ধাৰ্য্য কৰি দিয়া মাচুলতকৈ গ্ৰাহকৰ পৰা অধিক মাচুল আদায় কৰা,
2. প্ৰকৃত ভাৰাতকৈ অধিক ভাৰা দেখুৱাবলৈ টিকটৰ মূল্য সলনি / সম্পাদন কৰা,
3. আইআৰচিটিচি ৱেব পৰ্টেলত www.irctc.co.in (B2c) যাত্ৰী হিচাপে নকল ইউজাৰ প্ৰফাইল (ব্যক্তিগত লগইন আইডি) সৃষ্টি কৰা আৰু তেওঁলোকৰ গ্ৰাহকৰ বাবে তৎকাল ৰেলৱে ই-টিকট বুক কৰা তথা আইআৰচিটিচিৰ ৱেব পৰ্টেলৰ বাণিজ্যিক ব্যৱহাৰ কৰা যিটো কেৱল চৰম গ্ৰাহকৰ ব্যক্তিগত ব্যৱহাৰ বাবে।
4. ব্যক্তিগত লগইন আইডি নম্বৰ সৃষ্টি আৰু ব্যৱহাৰ কৰি প্ৰতিনিধি সীমাৱদ্ধ সময় পুৱা ৪ টাৰ পৰা 9 ৰ ভিতৰত তৎকাল ই-টিকট বুক কৰা।
5. আইআৰচিটিচি ৱেব পৰ্টেল তথা ৱেব সেৱাৰ জড়িয়তে বুকিংসমূহ স্বয়ংক্ৰিয় কৰিবলৈ অবৈধ চফ্টওৱেৰৰ ব্যৱহাৰ কৰা
6. বাতিলকৰণৰ পিছত পৰিমাণ পৰিশোধ নকৰা / পৰিশোধ কৰাত পলম কৰা
7. ৰিকুইজিচন / বাতিলকৰণৰ কলম পূৰণ নকৰা
8. মিছা টিডিআৰ দাবী ৰজু কৰা
9. সময়ে সময়ে আইআৰচিটিচি এ ধাৰ্য্য কৰা উচিত আৰু অনুচিত ব্যৱস্থা তথা অন্য চৰ্তসমূহ মানি নচলা

আমি আপোনালোকক জনাব বিচাৰো যে ওপৰোক্ত সকলো অনুচিত কাৰ্য্যকলাপে আইনক উলংঘন কৰে আৰু যদি দোষী সাব্যস্ত হয় তেন্তে আপোনাৰ বিপক্ষে নিম্নলিখিত দণ্ড বিহিব পাৰে:

1. চাব-এজেন্ট আইডিৰ স্থায়ী বাতিলকৰণ আৰু,

2. মাচুল অধিক লোৱাৰ ক্ষেত্ৰত, অধিককৈ লোৱা পৰিমাণৰ দুগুণ আদায় লোৱা হ’ব আৰু,
3. প্ৰত্যেকটো ক্ষেত্ৰতেই 20,000 টকা (বিশ হেজাৰ টকা) জৰিমনা হ’ব আৰু
4. আপোনাৰ বিপক্ষে উপযুক্ত আৰক্ষী থানা বা যোগ্য আদালতত এফআইআৰ  অথবা উচিত অপৰাধ সংক্ৰান্তীয় আইনগত ব্যৱস্থা ৰজু কৰা হ’ব যাৰ ফলত কাৰাদণ্ড / জৰিমনা বা দুয়োটা হ’ব পাৰে

যি সকল আইচিডব্লিউ উপৰুক্ত কাৰ্য্যকলাপত লিপ্ত হোৱা বুলি সাব্যস্ত হয় সেই সকলৰ ওপৰত উল্লেখিত যি কোনো অথবা সকলো দণ্ড প্ৰাযোজ্য হ’ব পাৰে

এনেবোৰ কাৰ্য্যকলাপৰ পৰা বিৰত থাকিবলৈ সকলোকে অনুৰোধ কৰা হয় যাতে আমি আপোনালোকক দণ্ড
বিহা বা আপোনালোকৰ আইডি বাতিল কৰা লজ্জাৰ পৰা আঁতৰি থাকিব পাৰো

ধন্যবাদ
ইন্টাৰএক্টিভ ফাইনেন্সিয়েল আৰু ট্ৰেডিং চাৰ্ভিচেচ প্ৰা.লিৰ হৈ
তাং. 26 / 04 / 2011